**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-08-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

----------- ------------

অসম চৰকাৰে ৰাজ্যখনত ২০২৬ চনৰ ভিতৰত দেশৰ দক্ষতা ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে, অত্যাধুনিক ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু দক্ষতা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ কাম অব্যাহত আছে। ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ দক্ষতা আৰু নিয়োগ যোগ্যতা বৃদ্ধিৰ বাবে চৰকাৰে এই প্ৰচেষ্টা অধিক গতিশীল কৰাৰ লক্ষ্য স্থিৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰে কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ সংখ্যা ২০২২ বৰ্ষৰ ১৩২ৰ পৰা ২০২৬ বৰ্ষত ২৫০ লৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে। পূৰ্বে এই প্ৰতিষ্ঠানসমূহত থকা ২৪ হাজাৰ আসনৰ সংখ্যা ২০২৬ বৰ্ষলৈ ৫০ হাজাৰলৈ বৃদ্ধি হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই প্ৰতিষ্ঠানসমূহত নিয়োগ সন্ধানীসকলৰ বাবে কেৰিয়াৰৰ সুবিধা প্ৰদানৰ বাবে হ্ৰস্বকালীন প্ৰশিক্ষণ কাৰ্যসূচীৰ দিহা কৰা হ'ব বুলিও তেওঁ কয়।

০০০

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আবাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল কৰ্তৃপক্ষই সুৰক্ষাৰ দিশত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অনুষ্ঠানটোৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ অচ্যুৎ বৈশ্যই জাৰি কৰা এখন নিৰ্দেশনা অনুসৰি নিশা কৰ্তব্যত নিয়োজিত মহিলা চিকিৎসকলৰ বাবে জি এম চি এইচৰ কেজুৱেলিটি বিভাগত বিশেষ বাহনৰ ব্যৱস্থা থাকিব। মূল হাস্পতাল চৌহদ, ছুপাৰ স্পেচিয়েলিটী হাস্পতাল, চি এন চেণ্টাৰ আৰু ৩ নম্বৰ ছাত্ৰাবাসলৈ অহা-যোৱা কৰাৰ বাবে কৰ্তব্যৰত চিকিৎসকসকলে দায়িত্বত থকা কেজুৱেলিটি বিষয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব। কেজুৱেলিটি বিষয়াই কৰ্তব্যৰত মহিলা চিকিৎসকৰ বাবে বাহনৰ ব্যৱস্থা কৰাৰ লগতে এগৰাকী মহিলা সুৰক্ষা কৰ্মী থকাটো নিশ্চিত কৰিব।

ইফালে, আন এটা নিৰ্দেশনা অনুযায়ী ৰোগীৰ সৈতে অহা ৰেড কাৰ্ড থকা পৰিয়ালৰ সদস্যৰ বাহিৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত সন্ধিয়া ৬ বজাৰ পাছত আন লোকৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। নিৰ্দেশনাত উল্লেখ কৰা মতে চৌহদৰ পৰা অকৰ্তৃত্বশীলভাৱে থকা লোকসকলক আঁতৰাই পঠোৱাৰ বাবে সুৰক্ষাৰ দায়িত্বত থকা বিষয়াজন দায়বদ্ধ হ'ব। এইক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে বিষয়াজনে ভঙাগড় আৰক্ষীৰ সহায় ল'ব পাৰিব। ইয়াৰ উপৰিও নিৰ্দেশনা অনুযায়ী সকলো গৃহৰক্ষী জোৱান ব্যক্তিগত সুৰক্ষা কৰ্মী আৰু নিৰ্মাণ শ্ৰমিকে সন্ধিয়া ৬ বজাৰ পাছত পৰিচয় পত্ৰ পিন্ধিব লাগিব।

আনহাতে, দেশজুৰি আলোড়ন সৃষ্টি কৰা কলকাতাৰ  চিকিৎসকগৰাকীৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত অভিযুক্ত সঞ্জয় ৰয়ৰ কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে মনস্তাত্বিক পৰীক্ষা কৰিব। ইয়াৰ বাবে দিল্লীস্থিত কেন্দ্ৰীয় ফৰেনচিক বিজ্ঞান পৰীক্ষাগাৰৰ মনোবৈজ্ঞানিক আৰু আচৰণগত বিশ্লেষকৰ এটা দল ইতিমধ্যে কলকাতাত উপস্থিত হৈছে। চিবিআইয়ে সঞ্জয় ৰয়ক ইতিপূৰ্বে জিম্মাত লৈছে। ইপিনে, আৰ জি কৰ চিকিৎসা

মহাবিদ্যালয় হাস্পতালৰ প্ৰাক্তন অধ্যক্ষ ডাঃ সন্দিপ ঘোষক কালি চি বি আইয়ে একেৰাহে দ্বিতীয় দিনৰ বাবে কেইবাঘণ্টা ধৰি জেৰা কৰে। চিবিআইয়ে পুনৰ জেৰা কৰাৰ বাবে তেওঁলৈ চমন জাৰি কৰিছে।

০০০

মৰিগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ মায়ঙত পৰ্যটনৰ প্ৰসাৰ ঘটোৱাৰ লক্ষ্যৰে মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত আজি মায়ং মহাবিদ্যালয় খেলপথাৰত পোনপ্ৰথমবাৰৰ বাবে মায়ং ইন্দ্ৰজাল যাদু মহোৎসৱ অনুষ্ঠিত হয়। পুৱা সাংস্কৃতিক শোভাযাত্ৰাৰে যাদু মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। অঞ্চলটোৰ যাদু সংস্কৃতি আৰু স্থানীয় কলা সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰা শোভাযাত্ৰাত কেইবাহাজাৰ লোকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে মায়ঙৰ যাদু শীৰ্ষক এখন আলোকচিত্ৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হয়। ইপিনে, মায়ং মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত মহোৎসৱৰ কাৰ্যসূচীত মায়ঙৰ কেইবাগৰাকীও বৈদ্য আৰু অন্যান্য লোকে অংশগ্ৰহণ কৰে। মহোৎসৱৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক কাৰ্যসূচীও গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে, মায়ং ইন্দ্ৰজাল যাদু মহোৎসৱৰ যোগেদি অন্ধবিশ্বাসৰ সলনি মায়ঙৰ ঐতিহ্য বহন কৰা যাদুৰ ইতিহাসৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে সংৰক্ষণমুখী পৰ্যটনৰ বাট মুকলি কৰাৰ চেষ্টা কৰা হৈছে। প্ৰস্তুতি বৰ্ষ হিচাপে এইবাৰ এদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱ উদযাপন কৰা হৈছে যদিও পৰৱৰ্তী বৰ্ষসমূহত দেশৰ বিভিন্ন প্ৰান্তৰ যাদুকৰক একত্ৰিত কৰি সপ্তাহজোৰা বিস্তৃত কাৰ্যসূচীৰে এই উৎসৱ উদ্যাপনৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ দ্বাৰা পবিতৰা অভয়াৰণ্যৰ লগতে জিলাখনৰ অন্যান্য পৰ্যটন ক্ষেত্ৰসমূহক বিশ্ব পৰ্যটনৰ মানচিত্ৰত মৰ্যাদাপূৰ্ণ স্থান দিয়াৰ উপৰি জিলাখনলৈ পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। যাদুবিদ্যা কেন্দ্ৰ কৰি মায়ঙত উদযাপন কৰিবলৈ লোৱা এই উৎসৱ দেশৰ ভিতৰতে প্ৰথম যাদুকেন্দ্ৰিক পৰ্যটন উৎসৱ হিচাপে পৰিগণিত হৈছে।

০০০

অসম সংগ্ৰহালয় সঞ্চালকালয়ে বিশ্ব ফটোগ্ৰাফী দিৱস উপলক্ষে অসম ৰাজ্যিক সংগ্ৰহালয়ত কাইলৈ এখন বিশেষ প্ৰদৰ্শনীৰ আয়োজন কৰিছে। A saga in pictorials, resonance from the past শীৰ্ষক এই প্ৰদৰ্শনী অহা ৩০ চেপ্তেম্বৰলৈ চলিব। কাইলৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰদৰ্শনী আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই প্ৰদৰ্শনী সোমবাৰ আৰু ৰাজহুৱা বন্ধৰ বাহিৰে প্ৰতি দিনে পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ জনসাধাৰণৰ বাবে মুকলি থাকিব।

০০০

পৱিত্ৰ ভাদ মাহৰ আজি প্ৰথম দিন। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। বিত্তমন্ত্ৰী অজন্তা নেওগ, মীন মন্ত্ৰী কেশৱ মহন্ত, কৃষি মন্ত্ৰী অতুল বৰা আৰু কাজিৰঙা লোকসভা সমষ্টিৰ কামাখ্যা প্ৰসাদ তাছাই পহিলা ভাদৰ দিনটোত গোলাঘাটৰ আঠখেলীয়া নামঘৰত উপস্থিত হৈ ভকত-বৈষ্ণৱৰ সৈতে ৰাজ্যৰ উন্নতিৰ বাবে আশীৰ্বাদ লয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত আৰু বিত্তমন্ত্ৰী অজন্তা নেওগৰ প্ৰচেষ্টাত ২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা নামঘৰৰ মণিকূট আৰু দুমহলীয়া অতিথি গৃহৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়।

০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অসমে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত ২০ লাখৰো অধিক পকী ঘৰৰ অনুমোদন লাভ কৰিছে বুলি জানিবলৈ দিছে। ইয়াৰে ১৯ লাখতকৈ অধিক

ঘৰৰ নিৰ্মাণকাৰ্য ইতিমধ্যে সম্পূৰ্ণ হৈছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই সাফল্যৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে। শ্ৰী দাসে লগতে গৃহ নিৰ্মাণৰ সৈতে জড়িত সংশ্লিষ্ট সকলৰো শলাগ লৈছে।

০০০

সমাপ্ত